**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-MAY-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আজিৰে পৰা দিছপুৰত অনুষ্ঠিত হ'ব। অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে নৱ-নিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। বিধায়কসকলৰ জ্যেষ্ঠতাৰ ভিত্তিত শপত গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। ইয়াৰ পাছতে অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ হৈ ৰণজিৎ কুমাৰ দাসে কালি অধ্যক্ষ পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। এন ডি এৰ নেতৃবৰ্গই বিজেপিৰ বিধায়কগৰাকীৰ হৈ বিধানসভাৰ সচিব দুলাল পেগুৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰে। কাইলৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সংবিধানৰ ১৭৬ (১) অনুচ্ছেদৰ অধীনত ভাষণ আগবঢ়াব। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ দিয়া হ'ব। ২৫ মে'ত ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব। বিধানসভাত বিৰোধী দলপতি নিৰ্বাচন সন্দৰ্ভত এতিয়াও সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে কয়, যে এই সংক্ৰান্তত ৰাষ্ট্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰা হৈছে আৰু শীঘ্ৰেই আনুষ্ঠানিক প্ৰক্ৰিয়া সম্পন্ন কৰি দলপতি বাছনি কৰা হ'ব।

ইপিনে বিধানসভা অধিৱেশনৰ পূৰ্বে কালি অসম গণ পৰিষদৰ বিধায়িনী দলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আসন্ন অধিৱেশনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়।

০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই অসম ৰাজ্যিক তথ্য নীতি, ২০২৬-ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি গুৱাহাটীৰ লোকসেৱা ভৱনত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী অতুল বৰাই বৈঠকৰ সিদ্ধান্তসমূহৰ বিষয়ে সদৰি কৰে। এই তথ্য নীতি অনুসৰি তথ্য ব্যৱস্থাপনা কেন্দ্ৰ নামেৰে সমন্বয়কাৰী সংস্থা গঠন কৰি বিশ্লেষণ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত ৰাজ্যজুৰি সংহত তথ্য ভঁৰাল গঢ়ি তোলা হ'ব। এই সন্দৰ্ভত সকলো বিভাগৰ বাবে নিয়মিত আৰু সুসংগঠিত তথ্যৰ ভাগ-বাটোৱাৰা বাধ্যতামূলক হ'ব। এই নীতিয়ে ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা আইন, ২০২৩-ৰ নীতি-নিৰ্দেশনা মানি কাম কৰাৰ লগতে ৰাজ্যিক তথ্য প্ৰশাসনৰ সুস্পষ্ট পৰিকাঠামো নিৰ্ধাৰণ কৰিব। কালি বৈঠকত ষোড়শ অসম বিধানসভাৰ আজি প্ৰথম অধিৱেশনৰ বাবে ৰাজ্যপালৰ ভাষণৰ খচৰাত মন্ত্ৰীসভাই অনুমোদন জনায়। এই সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই সাংবাদিকৰ আগত এইদৰে কয় –

**বাইট**

০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত কালি পথ সুৰক্ষা সমিতিৰ মাহেকীয়া পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথসমূহত সংঘটিত পথ দুৰ্ঘটনা ৰোধ কৰাৰ বিষয়ত আলোচনা কৰা হয়। বৈঠকত জিলাখনৰ দুৰ্ঘটনাপ্ৰৱণ ঠাইসমূহৰ চিনাক্তকৰণ আৰু পথ সুৰক্ষাৰ নিয়মসমূহ কঠোৰভাৱে পালনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০

যাত্ৰীবাহী ৰে'লৰ সুৰক্ষা আৰু অধিক নিশ্চিত কৰাৰ লগতে পৰিচালনাৰ গতি খৰতকীয়া কৰাৰ লক্ষ্যৰে ভাৰতীয় ৰে'লৱেই তিনিচুকীয়া ৰে'ল সংমণ্ডলৰ অধীনত ট্ৰেক নৱীকৰণৰ বৃহৎ কাৰ্যসূচী হাতত লৈছে। ডিব্ৰুগড় টাউন

ৰে’লৰে ষ্টেচনৰ পৰা চাউলখোৱা পৰ্যন্ত সমগ্ৰ ৰে’লপথছোৱাত ভাৰতীয় ৰে’লৰেই পুৰণি শ্লিপাৰ আৰু ৰে’ললাইনসমূহ ক্ষীপ্ৰতাৰে সলনি কৰাৰ কাম আৰম্ভ কৰিছে। ৰে’লৰে মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই সমগ্ৰ প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ বিশ্বৰ আগশাৰীৰ প্ৰযুক্তি প্ৰতিষ্ঠান প্লাছাৰ এণ্ড থিউৰাৰে বিকাশ কৰা অত্যাধুনিক প্লাছাৰ্ছ কুইক ৰিলেইং পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

০০০০০০

কাছাৰৰ সমাগত ঈদ-উল-আজহা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ উদ্দেশ্যে কালি জিলা প্ৰশাসনৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া, সামাজিক সংগঠনসমূহৰ প্ৰতিনিধি আৰু অন্যান্য অংশীদাৰসকল উপস্থিত থাকি উৎসৱৰ প্ৰস্তুতি আৰু পাৰস্পৰিক সমন্বয় শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত জাগৃতী কালৰাৰে উৎসৱৰ সময়ছোৱাত শান্তি, সাম্প্ৰদায়িক সম্প্ৰীতি আৰু পাৰস্পৰিক সন্মান বৰ্তাই ৰাখিবলৈ সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ সামূহিক সহযোগিতা আৰু দায়িত্বশীল অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে জনসাধাৰণক চৰকাৰী নীতি-নিৰ্দেশনাসমূহ মানি চলিবলৈও আহ্বান জনায়।

০০০০০০

লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ চৰাইদলনি নিবাসী মুক্তিযোদ্ধা তথা অৱসৰী শিক্ষক মদন ভূঞাৰ কালি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০২ বছৰ। মুক্তিযোদ্ধাগৰাকীৰ নশ্বৰদেহটো লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ চিকিৎসা বিজ্ঞানৰ উন্নয়নৰ বাবে দান কৰা হৈছে। প্ৰয়াত ভূঞাৰ দেশপ্ৰেমৰ প্ৰতি সশ্ৰদ্ধ স্বীকৃতিস্বৰূপে তেওঁৰ নশ্বৰ দেহ জিলা আয়ুক্ত আৰু নাৰায়ণপুৰৰ ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত ৰাষ্ট্ৰীয় পতাকাৰে আচ্ছাদিত কৰা হয়।

০০০০০০

**সমাপ্ত**